জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫৪/২০২১**

# ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেডে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ আগবঢ়াব ৭৮ খন আই চি ইউ বিচনা

## আই অ' চি এলৰ এই প্ৰয়াসে ৰাজ্যখনৰ ক'ভিড আক্ৰান্ত ৰোগীসকলক উপযুক্ত চিকিৎসা আগবঢ়োৱাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ মে' ঃ** ক'ভিড-১৯ অতিমাৰীৰ যুঁজখনক জন আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপ হিচাপে ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেডে (আই অ' চি এল) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ৭৮ খন আই চি ইউ বিচনা আগবঢ়াব।

আজি জনতা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেডৰ গুৱাহাটীস্থ উত্তৰ-পূব বিপণন কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক তথা ৰাজ্যিক মূৰব্বী জি ৰমেশে মুখ্যমন্ত্ৰীক এই বিষয়ে অৱগত কৰে। আই অ' চি এলৰ এই প্ৰয়াসক প্ৰশংসা কৰি মুখ্যমন্ত্ৰীয়ে ইয়াক সামাজিক দায়বদ্ধতাৰ এক উৎকৃষ্ট উদাহৰণ বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আই অ' চি এলৰ এই প্ৰয়াসে ৰাজ্যখনৰ ক'ভিড আক্ৰান্ত ৰোগীসকলক উপযুক্ত চিকিৎসা আগবঢ়োৱাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব।

আজিৰ এই সাক্ষাৎকালত ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেডৰ গুৱাহাটীস্থ উত্তৰ-পূব বিপণন কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক তথা ৰাজ্যিক মূৰব্বী জি ৰমেশৰ লগতে মুখ্য মহাপ্ৰবন্ধক (অপাৰেশ্যন) কে ভি ৰামানামূৰ্ত্তি, ভাৰপ্ৰাপ্ত মহাপ্ৰবন্ধক (এল পি জি) এম বি মনোহৰ ৰয়, উপ-মহাপ্ৰবন্ধক (চিএছআৰ) দিগন্ত ঠাকুৰীয়া উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**২৫/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in